জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮৪/২০২৩

# সময়ানুৱৰ্তিতা আৰু নিয়মানুৱৰ্তিতাৰে সেৱা আগবঢ়োৱা বিষয়া-কৰ্মচাৰীক প্ৰশংসাসূচক বেজ প্ৰদান কৰি অভিনন্দন জ্ঞাপন মুখ্যমন্ত্ৰীৰ

## ধাৰাবাহিক উদ্ভাৱনীমূলক চিন্তা-চৰ্চ্চা তথা কাম-কাজত গুৰুত্ব দিবলৈ বিষয়া-কৰ্মচাৰীসকলক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২ জানুৱাৰী** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত সময়ানুৱৰ্তিতা আৰু নিয়মানুৱৰ্তিতাৰে সেৱা আগবঢ়োৱা অসম সচিবালয়ত কৰ্মৰত একাংশ বিষয়া-কৰ্মচাৰীক তেওঁলোকৰ কৰ্মতৎপৰতাৰ স্বীকৃতি স্বৰূপে একোটাকৈ প্ৰশংসাসূচক বেজ প্ৰদান কৰি অভিনন্দন জ্ঞাপন কৰে।

উল্লেখ্য যে ৰাজ্যৰ বিকাশৰ বাটত চৰকাৰী কাম-কাজসমূহ সুচাৰুৰূপে পৰিচালনা কৰি অহা জনতা ভৱনৰ বিষয়া-কৰ্মচাৰীসকলক সম্বৰ্ধনা জ্ঞাপনৰ এই পদক্ষেপৰ অধীনত ৰাতিপুৱা ৯:৩০ বজাৰ পৰা আবেলি ৫ বজালৈ নিয়মীয়াকৈ কাৰ্যালয়ত কৰ্ম সম্পাদন কৰা কৰ্মচাৰীসকলক ‘মই সময়ানুৱৰ্তিতা বজাই ৰাখি গৌৰৱান্বিত’ শীৰ্ষক এটা বেজ আৰু ৰাতিপুৱা ৯:৩০ বজাৰ পৰা সন্ধিয়া ৬:৩০ বজালৈ নিয়মীয়াকৈ কাৰ্যালয়ত কৰ্ম সম্পাদন কৰা কৰ্মচাৰীসকলক ‘মই মোৰ ৰাজ্যৰ বাবে কঠোৰ পৰিশ্ৰম কৰোঁ’ শীৰ্ষক বেজ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতা প্ৰদৰ্শনেৰে এনে বেজ লাভৰ বাবে নিৰ্বাচিত সৰ্বমুঠ ৪৮১ গৰাকী কৰ্মচাৰীৰ ভিতৰত ৫২ গৰাকীক আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে বেজ প্ৰদান কৰে। ইয়াৰে ১১ গৰাকী বিষয়া-কৰ্মচাৰীয়ে ‘মই মোৰ ৰাজ্যৰ বাবে কঠোৰ পৰিশ্ৰম কৰোঁ’ শীৰ্ষক বেজ লাভ কৰিছে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম সচিবালয় ৰাজ্যৰ প্ৰশাসনৰ হৃৎপিণ্ড স্বৰূপ বুলি মন্তব্য কৰি কয় যে ৰাজ্য চৰকাৰে নীতিগতভাৱে গ্ৰহণ কৰা সিদ্ধান্তসমূহ আৰু সৰ্বস্তৰৰ লোকৰ আশা-আকাংক্ষাসমূহ বিষয়া-কৰ্মচাৰীসকলৰ দ্বাৰা ৰূপায়িত তথা বাস্তৱায়িত হয়। যি ৰাজ্যৰ বিষয়া-কৰ্মচাৰীসকলে চৰকাৰে জনসাধাৰণৰ হিতাৰ্থে লোৱা সিদ্ধান্তসমূহ ৰূপায়ণৰ বাবে তৎপৰ হৈ থাকে তেনে ৰাজ্য কেতিয়াও পিছ পৰি থাকিব নোৱাৰে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত ২০২২ বৰ্ষত উন্নয়ন আৰু বিকাশ, আইন-শৃংখলা, প্ৰশাসনক ৰাইজৰ অধিক ওচৰ চপাই নিয়া আদি বিভিন্ন দিশত ৰাজ্য চৰকাৰে এক দৃশ্যমান সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে যদিও

ৰাজ্যখনৰ সন্মুখত বহু দীঘলীয়া পথ, লক্ষ্য আৰু সপোন আছে। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ বিষয়া-কৰ্মচাৰীসকলক উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াবলৈ আৰু ধাৰাবাহিক উদ্ভাৱনীমূলক চিন্তা-চৰ্চা তথা কাম-কাজত গুৰুত্ব দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত ৭৫ বছৰত অসমে বিভাজনৰ সমস্যা, বানপানীৰ সমস্যা, আইন-শৃংখলাৰ সমস্যাকে ধৰি বহু সমস্যাৰ সন্মুখীন হৈছে আৰু ৰাজ্যখনে সন্মুখীন হোৱা এনেবোৰ বহু সমস্যা দেশৰ কম সংখ্যক ৰাজ্যইহে সন্মুখীন হ'বলগীয়া হৈছে। তেওঁ কয় যে কৰ্মতৎপৰতাৰে আৰু সময়োচিতভাৱে কাৰ্য সম্পাদনৰ দ্বাৰাইহে অসমৰ ভাগ্য সলনি কৰিব পৰা যাব। চলিত বৰ্ষত নিত্য নতুন চিন্তাৰে আগবাঢ়ি যাবলৈও উপস্থিত বিষয়া-কৰ্মচাৰীসকলক তেওঁ আহ্বান জনায়। সময়ানুৱৰ্তিতা, নিয়মানুৱৰ্তিতা প্ৰদৰ্শন কৰা বিষয়া-কৰ্মচাৰীসকলক বেজ প্ৰদান কৰি এইদৰে অভিনন্দন জনোৱাৰ পদক্ষেপ লোৱা বাবে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মুখ্য সচিবৰ শলাগ লয়। বিষয়া-কৰ্মচাৰীসকলে যাতে এটা উন্নত আৰু আনন্দদায়ক পৰিৱেশত নিজ নিজ কৰ্ম সম্পাদন কৰিব পাৰে সেই উদ্দেশ্যে চলিত বৰ্ষত জনতা ভৱনক নতুনকৈ সজাই পৰাই তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে অসম সচিবালয়ত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলৰ সুবিধাৰ্থে সমবায় প্ৰতিষ্ঠা, অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ সেৱা প্ৰৱৰ্তনৰো পোষকতা কৰে।

মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোছা, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ উপৰি অতিৰিক্ত মুখ্য সচিব, প্ৰধান সচিব আদিকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন শীৰ্ষ বিষয়া আৰু জনতা ভৱনৰ বহুসংখ্যক কৰ্মচাৰী উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২/১/২০২৩**